**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-04-2024
**Time :** 0900 Hrs

***<u>Assamese Morning Bulletin</u>***
**:::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। পৰম্পৰাগত ৰীতি-নীতিৰে আজি ৰাজ্যজুৰি গৰু বিহু পালন।

২। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মাজত মাথো কেইটামান দিন থকা অৱস্থাত বিজেপি, কংগ্ৰেছকে ধৰি অন্যান্য ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

৩। লোকসভা নিৰ্বাচনৰ বাবে অহা ১৯ এপ্ৰিলৰ পুৱাৰে পৰা ১ জুনৰ সন্ধিয়ালৈ নিৰ্বাচনোত্তৰ সমীক্ষা প্ৰচাৰত দেশৰ নিৰ্বাচন আয়োগৰ নিষেধাজ্ঞা।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি এখন খেলত পাঞ্জাব কিংছৰ বিৰুদ্ধে ৰাজস্থান ৰয়েলছৰ মুখামুখি।

০০০০০০০

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে সমগ্ৰ ৰাজ্যজুৰি উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰা নৈৰ ঘাট আৰু খাল-বিলসমূহত উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। পুৱাই গঞা ৰাইজে গোহালিৰ গৰুকেইটা মাহ-হালধি সানি, দীঘলতি, মাখিয়তিৰে কোবাই, নোৱাই-ধোৱাই বছৰটোলৈ গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিছে। সন্ধিয়ালৈ বিহলঙনি, তুহঁ, খেৰ আদিৰে জুই জ্বলাই জাগ দি গোধনক নতুন বিছনিৰে বা দিয়াৰ লগতে নতুন পঘাৰে বন্ধা হ'ব। ৰাজ্যৰ আন প্ৰান্তৰ লগতে গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্ততো গৰু বিহু পালন কৰা হৈছে। জিলাখনৰ আগিয়া, শিমলিতোলা, ৰংজুলি, ধূপধৰা, কৃষ্ণাই আদি অঞ্চলত গৰু বিহু উপলক্ষে ব্যাপক উৎসাহ উদ্দীপনা দেখা গৈছে। হাৰিমুৰা আৰু মৈজাংগা গাঁওবাসীয়ে পুৱাই জিনাৰি নৈৰ পাৰত সমূহীয়াভাৱে গৰুক গা ধোৱাই গৰু বিহু পালন কৰে। কামৰূপ জিলাৰ বিভিন্ন স্থানতো পুৱাই মাহ-হালধিৰে গৰুক নোৱাই-ধোৱাই গৰু বিহু উদযাপন কৰা হৈছে। জিলাখনৰ জয়ন্তীপুৰ, কেকেনীকুছি আদি ঠাইৰ লগতে কলহী, জলজলি আদি নৈৰ পাৰত সমূহীয়াভাৱে গৰু গা ধুওৱা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। তিনিচুকীয়া জিলাৰো বিভিন্ন স্থানত পৰম্পৰাগতভাৱে গৰুক গা ধুওৱাৰ লগতে কণী যুঁজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে জিলাখনৰ বৰগুড়িত আয়োজন কৰা গৰু বিহুৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। কাইলৈ তিনিচুকীয়া চলিহা নগৰ খেলপথাৰত জিলা ছাত্ৰ সন্থাই মুকলি বিহুৰ আয়োজন কৰিছে। মুকলি বিহুত মৰাণ, মটক, আহোম, চুতিয়া, নেপালি, সোণোৱাল-কছাৰী, চাহ জনগোষ্ঠীকে কেতবোৰ ধৰি বিভিন্ন জনগোষ্ঠীৰ কৃষ্টি সংস্কৃতি প্ৰদৰ্শন কৰিব। বাক্সা জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে তামুলপুৰতো উলহ-মালহেৰে গৰু বিহু পালন কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰঙালী বিহু উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰে। যোৰহাটৰ তিতাবৰত নিৰ্বাচনী প্ৰচাৰত ব্যস্ত থকাৰ মাজতে মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যবাসীলৈ ৰঙালী বিহুৰ ওলগ জনায়।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই আজি জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে। পুৱা ১০ বজাত বিশিষ্ট সংগীতজ্ঞ প্ৰশান্ত বৰদলৈয়ে বিহুৰ পতাকা উত্তোলনেৰ অনুষ্ঠানৰ শুভাৰম্ভ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনৰ কেইবাটাও প্ৰখ্যাত বিহু হুঁচৰি দলে অংশগ্ৰহণ কৰিব। লগতে অসমৰ সমাজ জীৱনলৈ প্ৰভূত বৰঙণি আগবঢ়োৱা কেইবাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হ'ব।

ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়ে আজিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে। উদ্যোক্তাসকলে জনোৱা অনুসৰি আজি সাংস্কৃতিক শোভাযাত্ৰা, বিহু পতাকা উত্তোলন, দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

আনহাতে কাইলৈ পৰম্পৰা অনুসৰি অসমীয়া নৱবৰ্ষৰ প্ৰথম দিনটো মানুহৰ বিহু হিচাপে পালন কৰা হ'ব। মানুহৰ বিহুৰ দিনা হেঁপাহৰ বিহুৱান লৈ বছৰটোৰ বাবে ৰাজ্য বাসীয়ে পৰস্পৰৰ কুশল কামনা কৰিব।

০০০০০০০

ৰাজ্যৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগে ৰাজ্যৰ সকলো বিহু কমিটীক হাতেৰে বোৱা গামোচা ক্ৰয় কৰিবলৈ আহ্বান জনাইছে। বিশেষকৈ ৰঙালী বিহুৰ সময়ছোৱাত বহিঃৰাজ্যৰ পাৱাৰলুমৰ  গামোচাৰে বজাৰ ভৰি পৰাৰ পৰিপ্ৰেক্ষিতত বিভাগে এই আহ্বান জনাইছে। উল্লেখযোগ্য যে, বহিঃৰাজ্যৰ পাৱাৰলুমৰ গামোচা অসমৰ  বজাৰত উভৈনদী হৈ পৰাৰ বাবে অসমৰ থলুৱা শিপিনীসকল প্ৰায়েই সমস্যাৰ সন্মুখীন হৈ আহিছে। সেয়ে অসমৰ থলুৱা শিপিনীসকলক সকাহ দিয়াৰ উদ্দেশ্যে চৰকাৰে স্ব-নিৰ্ভৰ নাৰী শীৰ্ষক এখন ধবজাবাহী আঁচনি মুকলি কৰি গামোচা ক্ৰয়ৰ সিদ্ধান্ত  লৈছিল। আঁচনিখনৰ অধীনত ৰাজ্যৰ হস্ততাঁত খণ্ডক উৎসাহ প্ৰদানৰ উদ্দেশ্যে থলুৱা শিপিনীয়ে তাঁতশালত বোৱা গামোচা হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ দ্বাৰা ক্ৰয় কৰি বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যৰ চৰকাৰৰ এনে পদক্ষেপৰ পাছতো একাংশ ব্যৱসায়ীয়ে বহিঃৰাজ্যৰ পাৱাৰলুমৰ গামোচা বজাৰত বিক্ৰী কৰি আছে। ইয়াৰ পৰিপ্ৰেক্ষিতত হস্ততাঁত বস্ত্ৰশিল্প বিভাগে অসমৰ জনসাধাৰণৰ লগতে ৰাজ্যৰ সকলো বিহু কমিটীক স্ব-নিৰ্ভৰ নাৰী আঁচনিৰ অধীনত চৰকাৰী বিপণীত উপলব্ধ হোৱা থলুৱা গামোচা ক্ৰয়ৰ বাবে আহ্বান জনাইছে।

০০০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মাজত মাথো কেইটামান দিন থকা অৱস্থাত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলৰ তাৰকা প্ৰচাৰকসকলে ভোটদাতাক আকৰ্ষিত কৰাৰ উদ্দেশ্যে কেইবাটাও ৰেলীত অংশগ্ৰহণ কৰিছে। বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়া জিলাত লখিমপুৰ লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰদান বৰুৱাৰ হৈ প্ৰচাৰ চলাব। মুখ্যমন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ অন্তৰ্গত কাকপথাৰ ৰাজহুৱা খেলপথাৰত নিৰ্বাচনী সভাত অংশ ল'ব।  মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি ডিব্ৰুগড়, লখিমপুৰ, শোণিতপুৰ আৰু যোৰহাট লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁ ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালৰ হৈ চাবুৱাত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ লগতে লখিমপুৰ সমষ্টিৰ প্ৰাৰ্থী প্ৰদান বৰুৱাৰ হৈ ধেমাজি আৰু নাওবৈচা-ৰঙানদীত নিৰ্বাচনী প্ৰচাৰ চলায়।

মন্ত্ৰী অশোক সিংহালেও আজি তিনিচুকীয়া জিলাত উপস্থিত হৈ দলীয় নেতা-কৰ্মীসকলৰ সৈতে বৈঠকত মিলিত হ'ব। ইয়াৰ পিছত তেওঁ অৰুণাচল প্ৰদেশৰ নামচাইলৈ ৰাওনা হ'ব।

আনহাতে যোৰহাট সমষ্টিৰ বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী গৌৰৱ গগৈ কালি যোৰহাটত বিশাল পদযাত্ৰাৰ অংশ লৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

ইপিনে, পঞ্জাৱৰ মুখ্যমন্ত্ৰী তথা আপৰ নেতা ভগৱন্ত মানে ডিব্ৰুগড় সমষ্টিৰ আপৰ প্ৰাৰ্থী মনোজ ধানোৱাৰ আৰু শোণিতপুৰৰ প্ৰাৰ্থী ঋষিৰাজ কৌণ্ডিন্যৰ হৈ কালি নিৰ্বাচনী প্ৰচাৰ চলায়।

ইফালে, প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিছে। কাজিৰঙা লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ বিত্তমন্ত্ৰী অজন্তা নেওগে গোলাঘাট জিলাৰ মাহিমেলীয়া পূব ঘিলাধাৰী জাতীয় কলাভৱনত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কোকৰাঝাৰ লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত ইউ পি পি এলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীয়ে কালি চিৰাং জিলাৰ বিজনীৰ আনন্দ বজাৰত এখন নিৰ্বাচনী জনসভাত অংশগ্ৰহণ কৰে।

০০০০০০০

অহা ৭ মে'ত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে অধিসূচনা জাৰি কৰা হৈছে। এই পৰ্যায়ত দেশৰ ১০ খন ৰাজ্য তথা দুটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৯৪টা লোকসভা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। তৃতীয় পৰ্যায়ত অসমৰ লগতে পশ্চিমবংগৰ ৪ খনকৈ, গুজৰাটৰ ২৬, কৰ্ণাটকৰ ১৪, মহাৰাষ্ট্ৰৰ ১১, উত্তৰ প্ৰদেশৰ ১০, মধ্যপ্ৰদেশৰ ৮, ছত্তিশগড়ৰ ৭, বিহাৰৰ ৫, গোৱা আৰু দাদৰা আৰু নগৰহাৱেলি তথা দমন আৰু ডিউৰ দুখনকৈ আৰু জম্মু-কাশ্মীৰত এখন আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। অসমত এই পৰ্যায়ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ১৯ এপ্ৰিললৈ মনোনয়ন দাখিল প্ৰক্ৰিয়া অব্যাহত থাকিব। আনহাতে, ২২ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

০০০০০০০

দেশত অহা ১৯ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ লগতে অৰুণাচল প্ৰদেশ আৰু ছিকিমত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগ সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। প্ৰথম পৰ্যায়ত ২১ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২ টা সংসদীয় সমষ্টিত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ৰ বাবে ৩৫০ গৰাকীৰো অধিক পৰ্যবেক্ষকক নিকা, স্বচ্ছ আৰু সুচাৰুৰূপে ভোটগ্ৰহণ অনুষ্ঠিত কৰিবলৈ দেশৰ নিৰ্বাচন আয়োগে নিৰ্দেশ দিছে। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ আৰু নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুৱে কালি পৰ্যবেক্ষকসকলৰ সৈতে নতুন দিল্লীৰ পৰা ভিডিঅ'কনফাৰেঞ্চযোগে বৈঠকত মিলিত হয়। বৈঠকত তেওঁ সকলো পৰ্যবেক্ষকক ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাৰ বাবে প্ৰয়োজনীয় সকলো সা-সুবিধা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। বিশেষকৈ গৰমৰ প্ৰকোপৰ পৰা ভোটদাতাক সকাহ দিবলৈ নিৰ্বাচন আয়োগে নিৰ্দেশ জাৰি কৰিছে। উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে ১২৭ জন সাধাৰণ পৰ্যবেক্ষক, ৬৭ জন আৰক্ষী পৰ্যবেক্ষক আৰু ১৬৭ জন ব্যয় পৰ্যবেক্ষক নিয়োজিত কৰিছে।

০০০০০০০

অসমত ৮০ লাখৰো অধিক ভোটদাতাৰ উপৰি ৩০০ ভোটদাতা থকা এটা বিশেষ পৰিয়াল প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনত ভোটদানৰ বাবে সাজু হৈ উঠিছে। শোণিতপুৰ লোকসভা সমষ্টিৰ অন্তৰ্গত নেপালী

পাম গাঁৱত থকা থাপা পৰিয়ালটোৱে বৃহৎ সংখ্যক ভোটদাতা থকাৰ অনন্য স্বীকৃতি লাভ কৰিছে। পৰিয়ালটোৰ মুৰববীগৰাকীয়ে ১৯০৬ চনত নেপালী পামত বসতি আৰম্ভ কৰাৰ পাছত তেওঁৰ পৰিয়ালৰ পৰৱৰ্তী প্ৰজন্মৰ লোকসকলেও একেখন গাঁৱতে বাস কৰিবলৈ আৰম্ভ কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আবাসিক চৌহদত আজি ৰঙালী বিহু উদযাপন কৰা হ'ব। 'নাহৰ ফুল ফুলিবৰ বতৰ' শীৰ্ষক ৰঙালী বিহুৰ এই কাৰ্যসূচী পুৱা বিহুৰ পতাকা উত্তোলনেৰে আৰম্ভ হ'ব। ইয়াৰ পাছতে অৰণ্য সুৰক্ষা সমিতি, অসমৰ উদ্যোগত গছ বিহু উদযাপন কৰা হ'ব। ৰঙালী বিহুৰ লগত সংগতি ৰাখি পিঠা-পণা কাৰ্যসূচীৰ লগতে ল'ৰা-ছোৱালী আৰু মহিলাসকলৰ মাজত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব বুলি সভাপতি ৰবীন চন্দ্ৰ বড়ো, সাধাৰণ সম্পাদক দ্বয় দীপক দাস আৰু সীমান্ত বাৰ্মাই জানিবলৈ দিছে।

০০০০০০০

স্বচ্ছ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰি দেশৰ গণতান্ত্ৰিক ব্যৱস্থা শক্তিশালী কৰাৰ উদ্দেশ্যে দেশৰ নিৰ্বাচন আয়োগে নিৰ্বাচনোত্তৰ সমীক্ষা প্ৰচাৰত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। নিৰ্বাচন আয়োগৰ অধিসূচনা অনুসৰি অহা ১৯ এপ্ৰিলৰ পুৱাৰে পৰা ১ জুনৰ সন্ধিয়ালৈ নিৰ্বাচনোত্তৰ সমীক্ষা প্ৰচাৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ছপা, বৈদ্যুতিন বা কোনো প্ৰচাৰ মাধ্যমতে নিৰ্বাচন অনুষ্ঠিত কৰা প্ৰথম দিনটোৰ ভোটগ্ৰহণ আৰম্ভ কৰাৰ পৰা ভোটগ্ৰহণ প্ৰক্ৰিয়া সমাপ্ত কৰাৰ আধাঘণ্টা পিছলৈ নিৰ্বাচনোত্তৰ সমীক্ষা প্ৰচাৰ কৰিব নোৱাৰিব। ইয়াৰ উপৰি ভোটগ্ৰহণ প্ৰক্ৰিয়া শেষ হোৱাৰ আগৰ ৪৮ ঘণ্টাত নিৰ্বাচনী সমীক্ষাকে ধৰি কোনো ধৰণৰ নিৰ্বাচন সংক্ৰান্তীয় বাতৰি বৈদ্যুতিন মাধ্যমত প্ৰকাশ কৰিব নোৱাৰিব। দেশৰ সকলো পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য হ'ব। অধিসূচনা অনুসৰি কোনো ব্যক্তিয়ে এই নিষেধাজ্ঞা ভংগ কৰিলে জৰিমনা বা দুবছৰ পৰ্যন্ত কাৰাবাস সহ জৰিমনা বিহা হ'ব।

০০০০০০০

জুইৰ পৰা হ'ব পৰা দুৰ্ঘটনাৰ পৰা ৰক্ষা পাবলৈ তথা জনসাধাৰণক সজাগ কৰাৰ লক্ষ্যৰে ৰাজ্যত কাইলৈৰ পৰা ২০ এপ্ৰিললৈ অগ্নি সেৱা সপ্তাহ ২০২৪ পালন কৰা হ'ব। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি অগ্নি আৰু আপদকালিন সেৱা সঞ্চালকালয়ে ৰাজ্যবাসীলৈ কেইবাটাও পৰামৰ্শ আগবঢ়াইছে। বিদ্যুৎ পৰিবাহী তাঁৰ, চকেট, শুইছ আদি আহিলাসমূহ নিয়মীয়াকৈ পৰীক্ষা কৰাৰ লগতে দলিচা বা কাৰ্পেটৰ তলত বিদ্যুৎৰ তাঁৰ নাৰাখিবলৈ আহ্বান জনাইছে। প্ৰশাসনে ঘৰত জ্বলনশীল সামগ্ৰি সংৰক্ষণ নকৰিবলৈও পৰামৰ্শ আগবঢ়াইছে। লগতে জুই লগাৰ উমান পোৱাৰ লগে লগে অগ্নি আৰু আপদকালীন সেৱাক ততালিকে খবৰ দিবলৈ অনুৰোধ কৰা হৈছে। জুইৰ পৰা হ'ব পৰা দুৰ্ঘটনাৰ পৰা ৰক্ষা পাবলৈ ৰন্ধন গেছ, ষ্টোভ ইয়াৰ আনুসংগিক সামগ্ৰিবোৰ নিয়মীয়াকৈ পৰীক্ষা কৰিব লাগে। ঘৰৰ পৰা ওলাই যোৱাৰ আগতে বা বাহিৰলৈ যোৱাৰ আগতে সকলো বৈদ্যুতিক সঁজুলি আৰু ৰন্ধন গেছ নিয়ন্ত্ৰক বন্ধ কৰিব লাগে। ৰন্ধন গেছৰ ছিলিণ্ডাৰত জুই লাগিলে আতংকিত নহৈ ছিলিণ্ডাৰটো তিতা কোপোৰেৰে ঢাকি দিব লাগে। দুৰ্ভাগ্যবশতঃ জুই লাগিলে সামগ্ৰী সংগ্ৰহ কৰাৰ সলনি ধৈৰ্য্য সহকাৰে নিৰাপদ স্থানলৈ যাব লাগে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত লোকনিৰ্ণয়-২০২৪ শীৰ্ষক অনুষ্ঠান প্ৰচাৰ হ'ব। এই অনুষ্ঠানত সাংবাদিক বেদব্ৰত দেৱমিশ্ৰ আৰু ৰঞ্জন লাল শৰ্মা সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতিম শৰ্মাই।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মহালিত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

আনহাতে দেলহি কেপিটেলছে যোৱানিশা লক্ষ্ণৌত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৬ উইকেটত পৰাস্ত কৰে। দেলহি কেপিটেলছে ১৬৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু এটা বলত ৪টা উইকেট হেৰুৱাই নিধাৰিত লক্ষ্য অতিক্ৰম কৰে। দিল্লীৰ হৈ জেক ফ্ৰেজৰ মেকগৰ্কে ৩৫টা বলত ৫৫ ৰান কৰে। ইয়াৰ পূৰ্বে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৬৭ ৰান কৰে। লক্ষ্ণৌৰ হৈ আয়ুস বডোনীয়ে ৫৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। লক্ষ্ণৌৰ হৈ কুলদীপ যাদৱে তিনিটা উইকেট দখল কৰে। কুলদীপ যাদৱক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০০

গোৱালপাৰাৰ সৈনিক স্কুলত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত সৈনিক স্কুল গ্ৰুপ-ইৰ ১৫ বছৰ অনুৰ্ধৰ ল'ৰা আৰু ১৭ বছৰ অনুৰ্ধৰ ল'ৰা-ছোৱালীৰ ফুটবল প্ৰতিযোগিতাৰ কালি সামৰণি পৰে। লীগ পৰ্যায়ত অনুষ্ঠিত এই প্ৰতিযোগিতাত মণিপুৰৰ সৈনিক স্কুল ইম্ফলৰ ১৫ বছৰ অনুৰ্ধৰ ল'ৰাৰ দলটোৱে চেম্পিয়নৰ খিতাপ দখল কৰে। আনহাতে অৰুণাচল প্ৰদেশৰ ইষ্ট চিয়াঙৰ সৈনিক স্কুলে ১৭ বছৰ অনুৰ্ধৰ ল'ৰা-ছোৱালী দুয়োটা দলে চেম্পিয়নৰ খিতাপ দখল কৰে।

০০০০০০০

## News Paper Review/RNU

বয়-বস্তুৰ দাম বৃদ্ধিৰ মাজতেই ৰাজ্যত ৰঙালীৰ উন্মাদনা। গাঁৱে-ভূঞে, চহৰে-নগৰে ব'হাগক আদৰাৰ প্ৰস্তুতিৰে আজি গৰু বিহুৰ বাতৰি **দৈনিক অসম, আমাৰ অসম, দৈনিক অগ্ৰদূত, অসমীয়া প্ৰতিদিন, দৈনিক জনমভূমি, নিয়মীয়া বাৰ্তা, অসমীয়া খবৰ**ৰ লগতে **দ্যা আছাম ট্ৰিবিউন**তেও প্ৰথম পৃষ্ঠাত বিহু সম্পৰ্কীয় ভিন ভিন লিখনিৰ সৈতে প্ৰকাশ কৰিছে।

৫০ হাজাৰ নতুন চাকৰিৰ প্ৰতিশ্ৰুতিৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ধেমাজি, বিশ্বনাথ আৰু যোৰহাটত চলোৱা নিৰ্বাচনী প্ৰচাৰৰ বাতৰি **দৈনিক অসম**ৰ লগতে **নিয়মীয়া বাৰ্তা, অসমীয়া প্ৰতিদিন** আৰু **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শীঘ্ৰে জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচন, পুনৰ প্ৰদান কৰা ৰাজ্যৰ মৰ্যাদাও- শিৰোনামেৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্বাচনী প্ৰচাৰৰ বাতৰি **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। যোৰহাটত কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ গুজৰাটৰ দলিল নেতা জিগমেশ মেৱানীৰ প্ৰচাৰৰ বাতৰি **আমাৰ অসম আৰু অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। লগতে কাকত দুখনে ডিব্ৰুগড় সমষ্টিৰ আপৰ প্ৰাৰ্থী মনোজ ধানোৱাড়ৰ হৈ পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানৰ নিৰ্বাচনী প্ৰচাৰৰ বাতৰিও প্ৰকাশ কৰিছে। অসমৰ সীমান্তৱৰ্তী গাৰো গাওঁসমূহ মেঘালয়ত অন্তৰ্ভুক্ত হ'ব বুলি মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই কৰা ঘোষণাৰ বাতৰি **দৈনিক অসম** কাকতে গুৰুত্ব সহকাৰে কৰিছে।

রাজ্যজুৰি চলোৱা বিশেষ অভিযানত ৪ সহস্ৰাধিক পাৱাৰলুমৰ গামোচা জব্দ। হস্ততাঁত বস্ত্ৰশিল্প বিভাগে ৰাজ্যৰ সকলো বিহু কমিটীক পাৱাৰলুমৰ সলনি তাঁতত বোৱা গামোচা ক্ৰয় কৰিবলৈ আহ্বান জনোৱাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – বি পি এফ নেতা চন্দন ব্ৰহ্মৰ ইউ পি পি এলত যোগদান, ঢেকীয়াজুলিত পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি দলবদ্ধ প্ৰহাৰত যুৱকৰ মৃত্যু, ১৭ এপ্ৰিলত প্ৰধানমন্ত্ৰীৰ অসম আগমনক কেন্দ্ৰ কৰি চলোৱা প্ৰস্তুতি, বিজেপিত টিকট কেন্দ্ৰিক সংঘাতৰ বহিঃপ্ৰকাশ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

0000000

**সমাপ্ত**